NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। উচ্চতম ন্যায়ালয়ে দিল্লী সুৰা নীতি কেলেংকাৰীৰ সৈতে জড়িত ক'লা ধন বৈধকৰণ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২১ দিনৰ বাবে অন্তৰ্বৰ্তী জামিন প্ৰদান কৰিছে।

৩। আন্তঃসেৱা সংস্থা কমাণ্ড, নিয়ন্ত্ৰণ আৰু অনুশাসন আইন অধিসূচিত কৰা হৈছে।

৪। উত্তৰাখণ্ডত পৱিত্ৰ চাৰিধাম যাত্ৰা আজি আৰম্ভ হৈছে।

*আৰু*

৫। গুজৰাটৰ আহমেদাবাদত কিছু সময়ৰ পাছত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

0000000

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পৰ্য্যায়ৰ বাবে কাইলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্য্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ এদিন পূৰ্বে আজি বিজেপি, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ মেহবুবনগৰ লোকসভা সমষ্টিৰ নাৰায়ণপেটত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, বৰ্তমানৰ নিৰ্বাচন দেশৰ ভৱিষ্যতৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। মোদী নিশ্চয়তা নিশ্চিতভাৱে ৰূপায়ণ হ'ব বুলি তেওঁ জনসাধাৰণক আশ্বাস দিয়ে। শ্ৰীমোদীয়ে কংগ্ৰেছ আৰু বি আৰ এছ দুয়োটা দল দুৰ্নীতিগ্ৰস্ত আৰু কংগ্ৰেছে জনসাধাৰণক প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। কংগ্ৰেছে জনসাধাৰণক বিভাজিত কৰাৰ আৰু ধৰ্মৰ ভিত্তিত সংখ্যালঘুসকলৰ বাবে থকা সংৰক্ষণত সাল-সলনি কৰাৰ চেষ্টা কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ ৰাণাঘাটত এখন নিৰ্বাচনী সভাত অংশ লৈ তৃণমূল কংগ্ৰেছে ভোট বেংকৰ বাবে অনুপ্ৰৱেশকাৰীৰ প্ৰতি সমৰ্থন আগবঢ়োৱা বুলি অভিযোগ তোলে। তেওঁ লগতে তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীয়ে নাগৰিকত্ব সংশোধনী আইনৰ নামত জনসাধাৰণক উচতনি যোগোৱা বুলিও অভিযোগ উত্থাপন কৰে। শ্ৰীশ্বাহে কয় যে, সন্দেশখালি ঘটনাৰ আঁৰৰ ব্যক্তিসকলক শাস্তি প্ৰদান কৰা হ'ব। কংগ্ৰেছ আৰু তৃণমূল দুয়োটা দলেই দুৰ্নীতিগ্ৰস্ত বুলি নেতাগৰাকীয়ে

মন্তব্য কৰে। তেওঁ কয় যে, পশ্চিমবংগত শাসকীয় দলৰ অধীনত ৰাজ্যিক নিযুক্তি সেৱা, পৌৰ নিযুক্তি আৰু শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতি হৈছে। বিজেপি নেতাগৰাকীয়ে জনসাধাৰণক তৃণমূলক প্ৰত্যাখ্যান কৰিবলৈ আৰু উন্নয়নৰ হকে ভোটদান কৰিবলৈ আহ্বান জনায়। একেদৰে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়াণাৰ আম্বালা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী বাণ্টো কাটাৰিয়াৰ হকে পঞ্চকুলাৰ এটা ৰ'ডশ্বোত ভাগ লয়। ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ জ্ঞান চন্দ গুপ্তা, সুভাষ বাৰ্লা, প্ৰাক্তন বিধায়ক লতিকা শৰ্মা প্ৰমুখ্যে দলৰ ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰ'ডশ্বোত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীনাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে কৰা বিভিন্ন কামৰ বিষয়ে উল্লেখ কৰে আৰু বিজেপিৰ হকে ভোটদান কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছক সমালোচনা কৰি শ্ৰীনাড্ডাই দলটোক দুৰ্নীতিত উদগনি যোগোৱা দল বুলি মন্তব্য কৰে। কংগ্ৰেছ নেতা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী বৰ্তমান জামিনত থকা বুলি তেওঁ উল্লেখ কৰে।

উত্তৰ প্ৰদেশতো চতুৰ্থ পৰ্য্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ কনৌজত এখন যুঁটীয়া নিৰ্বাচনী সভাক সম্বোধন কৰে। ৰাহুল গান্ধীয়ে তেওঁৰ ভাষণত বিজেপিক সমালোচনা কৰে আৰু কংগ্ৰেছ দলে ক্ষমতালৈ আহিলে খেতিয়কসকল দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ নহালৈকে তেওঁলোকলৈ বিত্তীয় সাহায্য আগবঢ়াব বুলি মন্তব্য কৰে। দুয়োগৰাকী নেতাই কানপুৰ জিলাতো যুঁটীয়াভাৱে প্ৰচাৰ চলায়।

ইফালে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজি গোৰখপুৰত এখন নিৰ্বাচনী সভাত অংশ লয়।

ইপিনে, এন চি পিৰ জ্যেষ্ঠ নেতা শাৰদ পাৱাৰে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভ্ৰান্তিকৰ মন্তব্য কৰিবলৈ লৈছে। ৪ মে'ত লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত বিজেপিত যোগদান কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে মহাৰাষ্ট্ৰৰ নান্দুৰবাৰ জিলাৰ এখন নিৰ্বাচনী সভাত আগবঢ়োৱা প্ৰস্তাৱ সন্দৰ্ভত আজি পুণেত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীপাৱাৰে এইদৰে দাবী কৰে। এন চি পি নেতাগৰাকীয়ে লোকসভা নিৰ্বাচনৰ প্ৰথম তিনিটা পৰ্য্যায়ৰ পাছত বিজেপিৰ বিৰুদ্ধে মনোভাৱ গঢ়ি উঠা বুলি দাবী কৰে। তেওঁ লগতে বিজেপি নেতাসকলে দলটোৰ বিৰুদ্ধে গঢ়ি উঠা মনোভাৱৰ বাবেই বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি অভিযোগ তোলে। প্ৰধানমন্ত্ৰীৰ কোনো ৰাজনৈতিক দলক প্ৰকৃত অথবা ভুৱা বুলি কোৱাৰ অধিকাৰ নাই বুলি শ্ৰীপাৱাৰে মন্তব্য কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে আজি তৃণমূল কংগ্ৰেছ দলৰ কৰ্মীসকলৰ ভাবুকিৰ বাবে সন্দেশখালীৰ মহিলাসকলে যাতে অভিযোগ প্ৰত্যাহাৰ কৰিব নালাগে তাৰ বাবে
নিৰ্বাচন আয়োগক আহ্বান জনায়। সংস্থাটোলৈ লিখা এখন পত্ৰত আয়োগে কয় যে ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনৰ মাজভাগত সন্দেশখালীৰ মহিলাসকলক প্ৰভাৱিত কৰি আৰু ভাবুকি প্ৰদানেৰে অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছে। ৰাষ্ট্ৰীয় মহিলা আয়োগে নিৰ্বাচন আয়োগক এই বিষয়ত উপযুক্ত ব্যৱস্থা লবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিবলৈ কয়।

ৰাষ্ট্ৰীয় মহিলা আয়োগে লগতে কয় যে, গোচৰৰ তদন্তৰ বাবে গঠন কৰা সমিতিয়ে সন্দেশখালীৰ কেইবাগৰাকীও মহিলাৰ সৈতে সাক্ষাৎ কৰি গোচৰটোৰ প্ৰধান অভিযুক্ত তৃণমূল কংগ্ৰেছৰ শ্বেখ শ্বাহজাহানৰ সহযোগীয়ে তেওঁলোকক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰে। মহিলা আয়োগে কৈছে, সন্দেশখালীৰ মহিলাসকলৰ কেইবাটাও লিখিত অভিযোগ আয়োগে লাভ কৰিছে।

0000000

ভাৰত আৰু মলদোভাই আজি নতুন দিল্লীত কূটনৈতিক আৰু চৰকাৰী পাছপ'ৰ্টৰ ভিছা ৰেহাইৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে ভিছা অবিহনে যিকোনো এখন দেশৰ কূটনৈতিক আৰু চৰকাৰী পাছপ'ৰ্টধাৰীয়ে আনখন দেশলৈ ভ্ৰমণ কৰিব পাৰিব । বৈদেশিক পৰিক্ৰমা মন্ত্ৰালযৰ পশ্চিম বিভাগৰ সচিব পৱন কাপুৰ আৰু মলদোভাৰ ৰাষ্ট্ৰদূত আনা টাবানে এই চুক্তিত স্বাক্ষৰ কৰে।

0000000

উচ্চতম ন্যায়ালয়ে আজি দিল্লী সুৰা নীতি কেলেংকাৰীৰ সৈতে জড়িত ক'লা ধন বৈধকৰণ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২১ দিনৰ বাবে অন্তৰ্বৰ্তী জামিন প্ৰদান কৰে। সৰ্বোচ্চ ন্যায়ালয়ে আম আদমী পাৰ্টিৰ মুৰব্বীগৰাকীক সাতটা পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সমাপ্ত হোৱাৰ এদিন পাছত ২ জুনত আত্ম-সমৰ্পণ কৰিববলৈ কৈছে। শ্ৰীকেজৰিৱালে লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে কাৰাগাৰৰ পৰা মোকলাই দিবলৈ অনুৰোধ জনাইছিল। উচ্চতম ন্যায়ালয়ে লগতে কেজৰিৱালক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত বিধি বলবৎকাৰী সঞ্চালয়ৰ বিলম্বক লৈও প্ৰশ্ন উত্থাপন কৰে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে কয় যে, কেন্দ্ৰীয় তদন্ত সংস্থাটোৱে ২০২২ চনৰ আগষ্টতে কেজৰিৱালৰ বিৰুদ্ধে প্ৰৱৰ্তন গোচৰৰ তথ্য প্ৰতিবেদন ৰুজু কৰিছিল যদিও সংস্থাটোৱে যোৱা ২১ মাৰ্চতহে তেওঁক গ্ৰেপ্তাৰ কৰে। জামিনৰ চৰ্ত অনুসৰি, শ্ৰীকেজৰিৱালে মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয় আৰু দিল্লী সচিবালয় ভ্ৰমণ কৰিব নোৱাৰিব। শ্ৰীকেজৰিৱালে লগতে বৰ্তমানৰ গোচৰৰ ক্ষেত্ৰত নিজৰ ভূমিকা সম্পৰ্কে কোনো মন্তব্য কৰিব নোৱাৰিব আৰু সাক্ষীসকলৰ সৈতে বাৰ্তালাপ কৰিব নোৱাৰিব।

আম আদমী পাৰ্টিয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদানৰ বাবে উচ্চতম ন্যায়ালয়ে লোৱা সিদ্ধান্তক গণতন্ত্ৰ আৰু সংবিধানৰ বিজয় বুলি অভিহিত কৰিছে। দলৰ জ্যেষ্ঠ নেতা গোপাল ৰায়ে কৈছে যে, ন্যায়ালয়ে সংবিধানৰ প্ৰতি বিশ্বাস ৰখা সকলোৰে মনত আশাৰ ৰেঙণি সৃষ্টি কৰিছে। আনহাতে, দলৰ আন এগৰাকী নেতা আতিশীয়ে কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিনক সত্যৰ জয় বুলি মন্তব্য কৰিছে।

কংগ্ৰেছৰ নেতা পৱন খেৰাই উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি আদৰণি জনাইছে আৰু ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণেও ন্যায় লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

ইপিনে, বিজেপি নেতা মজিন্দৰ সিং ছিৰছাই কৈছে যে, উচ্চতম ন্যায়ালয়ে অকল নিৰ্বাচনৰ বাবে কেজৰিৱালক জামিন প্ৰদান কৰি স্পষ্ট কৰিছে। কেজৰিৱালে পহিলা জুনৰ পাছত কাৰাগাৰলৈ ঘূৰি যাব লাগিব বুলি তেওঁ মন্তব্য কৰে।

0000000

আন্তঃসেৱা সংস্থা কমাণ্ড, নিয়ন্ত্ৰণ আৰু অনুশাসন আইন অধিসূচিত কৰা হৈছে। আন্তঃসেৱা সংস্থাৰ ফলপ্ৰসূ কমাণ্ড নিয়ন্ত্ৰণ আৰু দক্ষ কাম-কাজৰ উদ্দেশ্যে যোৱা বছৰ বৰ্ষাকালীন অধিৱেশনৰ সময়ত সংসদৰ উভয় সদনে বিধেয়কখন গ্ৰহণ কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে, এই আইনখনে আন্তঃসেৱা সংস্থাৰ কমাণ্ডাৰ ইন চীফ আৰু অফিচাৰ ইন কমাণ্ডক অনুশাসন আৰু প্ৰশাসন বৰ্তাই ৰখাৰ বাবে সেৱা কৰ্মীসকলক নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদান কৰিছে। আইনখনে আন্তঃসেৱা সংস্থাৰ মুৰব্ব্বীসকলক সৰল কৰি তুলিব। ইয়াৰ ফলত বিষয়সমূহৰ তাৎক্ষণিক নিষ্পত্তি সম্ভৱ হৈ উঠিব আৰু প্ৰক্ৰিয়াও সৰল হৈ পৰিব। মন্ত্ৰালয়ে কৈছে যে, ইয়াৰ ফলত সশস্ত্ৰ বাহিনীৰ কৰ্মীসকলৰ মাজত সমন্বয় আৰু একতা বৃদ্ধি পাব।

০০০০০০০

উত্তৰাখণ্ডত পবিত্ৰ চাৰিধাম যাত্ৰা আজি আৰম্ভ হৈছে। অক্ষয় তৃতীয়া উপলক্ষে কেডাৰনাথ, গংগোত্ৰী, যমুনোত্ৰী ধামৰ দ্বাৰ ভক্তৰ বাবে খোলা হৈছে। কেডাৰনাথ ধামৰ দ্বাৰ আজি পুৱা বৈদিক মন্ত্ৰোচ্চাৰণ আৰু পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে মুকলি কৰা হয় আৰু ইয়াৰ লগে লগে চাৰিধাম যাত্ৰাও আৰম্ভ হয়। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামীও ভক্তসকলৰ মাজত উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীৰ উপস্থিতিয়ে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় ভক্তসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে সূচায়।

কেডাৰনাথৰ উদ্বোধনী অনুষ্ঠানৰ পাছত যমুনোত্ৰীৰ দ্বাৰ পুৱা ১০ বাজি ২৯ মিনিটত মুকলি কৰা হয়। ইয়াৰ পাছত দুপৰীয়াৰ ভাগত গংগোত্ৰী ধামৰ দ্বাৰ ভক্তৰ বাবে খোলা হয়।

০০০০০০০

গুজৰাটৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কিছু সময়ৰ পাছত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ৬০ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২৪২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰত আঠাইকেইটা উইকেট হেৰুৱাই ১৮১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২৪১ ৰাণ কৰে।

০০০০০০০

সমাপ্ত